জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯৩/২০২২**

# ভাৰতীয় বায়ু সেনাৰ সূৰ্য কিৰণ এৰ'বেটিক টীমৰ এয়াৰ শ্ব' প্ৰদৰ্শনীত উপস্থিত মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ব্ৰহ্মপুত্ৰ নৈৰ পাৰত অৱস্থিত গুৱাহাটীৰ লাচিত ঘাটৰ আকাশ মাৰ্গত ভাৰতীয় বায়ু সেনাৰ সূৰ্য কিৰণ এৰ'বেটিক টীমৰ দ্বাৰা প্ৰদৰ্শন কৰা এয়াৰ শ্ব' কাৰ্যক্ৰমত উপস্থিত থাকে।

৩০ মিনিট ধৰি পৰিবেশিত এই অনুষ্ঠানত ৯ খনকৈ বায়ুসেনাৰ হ'ক এম কে-১৩২ বিমানে দুঃসাহসিক কাৰ্যকলাপ পৰিদৰ্শন কৰি আমন্ত্ৰিত অতিথিসকলৰ লগতে উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে।

অনুষ্ঠানত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে  এনেধৰণৰ কাৰ্যক্ৰমসমূহে অসমৰ উঠি অহা প্ৰজন্মক ভাৰতীয় বায়ু সেনা তথা আন প্ৰতিৰক্ষা বাহিনীসমূহত যোগদান কৰিবলৈ অনুপ্ৰেৰণা যোগাব। তেখেতে লগতে ভাৰতীয় বায়ু সেনা বাহিনীক গুৱাহাটীত সূৰ্য কিৰণৰ এই দুসাহসিক প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

১৯৯৬ চনত প্ৰতিষ্ঠা হোৱা সূৰ্য কিৰণ এৰ'বেটিক টীম হ'ল ভাৰতীয় বায়ু সেনাৰ ৫২ সংখ্যক স্কোৱাড্ৰণৰ এক অংশ। উল্লেখ্য যে ৯ খন বা ততোধিক বিমানৰ দ্বাৰা এনে দুঃসাহসিক কাৰ্যকলাপ প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা বিশ্বৰ মাত্ৰ কেইটামান দলৰ ভিতৰত সূৰ্য কিৰণ এৰ'বেটিক টীম হৈছে অন্যতম।

আজিৰ এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল জগদীশ মুখীৰ সহধৰ্মিনী প্ৰেম মুখী, এয়াৰ মাৰ্শ্বাল (ইষ্টাৰ্ণ এয়াৰ কামাণ্ড) বি কে পাটনায়ক, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু অসামৰিক তথা প্ৰতিৰক্ষা বিভাগৰ বিষয়াবৃন্দ প্ৰমুখ্যে কেইবা শতাধিক লোক উপস্থিত থাকে।

**অঃহাঃ / হেঃশঃ**
**২৭/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in